# **REGIONAL NEWS UNIT**
AKASHVANI, GUWAHATI
0000000000

**Date :** 09-02-2025
**Time :** 21-25 Hrs

***Assamese Nght Bulletin***
**:::::::::::::::::::::::::::::::**

ৰাজ্যখনৰ বিনিয়োগ আৰু আন্তঃগাথনি বিকাশৰ বাবে আয়োজিত এডভাণ্টেজ আছামৰ দ্বিতীয় সংস্কৰণৰ সন্মিলনে দেশ বিদেশৰ বিনিয়োগকাৰীসকলক অসমৰ সম্ভাব্য ক্ষেত্ৰসমূহত বিনিয়োগৰ প্ৰতি আকৰ্ষিত কৰাৰ উপৰি নতুন প্ৰজন্মক বিস্তৰ সুযোগ প্ৰদান কৰিব বুলি মুখ্যমন্ত্ৰী ড০ হিমন্ত বিশ্ব শৰ্মাই প্ৰকাশ কৰিছে। এই সন্মিলনে নতুন প্ৰজন্মৰ বিনিয়োগকাৰীসকলক বিনিয়োগৰ বাবে উপযুক্ত স্থান দিয়াৰ লগতে ৰাজ্যখনৰ নৱ প্ৰজন্মক সময়োপযোগী বাণিজ্যৰ বাবে দক্ষ কৰি তুলিব বুলি তেওঁ আশা প্ৰকাশ কৰে। অসমৰ চহকী ঐতিহ্য আৰু বৈচিত্ৰ্যময় সংস্কৃতিৰ লগতে প্ৰাকৃতিক সম্পদসমূহে অতিজৰে পৰা বহু লোকক আকৰ্ষণ কৰি আহিছে আৰু ৰাজ্যৰ প্ৰাকৃতিক সম্পদৰ ক্ষেত্ৰখনতো বিনিযোগৰ প্ৰচুৰ সম্ভাৱনা আছে বুলি ড০ শৰ্মাই উল্লেখ কৰে।

মুখ্যমন্ত্ৰীয়ে এডভাণ্টেজ আচামৰ দ্বিতীয় সংস্কৰণৰ সময়ছোৱাত প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীৰ উপৰি কেইবাগৰাকীও কেন্দ্ৰীয় মন্ত্ৰীয়ে অসমৰ সৰ্বাঙ্গীন উন্নয়নৰ বাবে কেন্দ্ৰীয় চৰকাৰে নিৰ্ধাৰণ কৰা লক্ষ্যত আলোকপাত কৰাৰ লগতে ৰাজ্যখনত বিনিয়োগৰ সম্ভাৱনা বহন কৰা পথ মুকলি কৰিব বুলিও আশা ব্যক্ত কৰে। উল্লেখযোগ্য যে অহা ২৪ ফেব্ৰুৱাৰীত অসমলৈ আহিবলগীয়া প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীয়ে  সন্মিলনৰ সৈতে সংগতি ৰাখি আয়োজিত সৰ্ববৃহৎ ঝুমুৰ নৃত্যৰ অনুষ্ঠান **ঝুমইৰ বিনন্দিনী** উপভোগ কৰিব। ২৫ ফেব্ৰুৱাৰীত তেওঁ এই সন্মিলন আনুষ্ঠানিকভাৱে মুকলি কৰিব। এই অনুষ্ঠানত ভূটানৰ প্ৰধানমন্ত্ৰীগৰাকী উপস্থিত থকাৰ কথা।

ooooo

মণিপুৰৰ মুখ্যমন্ত্ৰী এন বিৰেণ সিঙে আজি মুখ্যমন্ত্ৰী পদৰ পৰা অব্যাহতি বিচাৰি পদত্যাগপত্ৰ দাখিল কৰিছে। শ্ৰীসিঙে ৰাজ্যপাল অজয় কুমাৰ ভল্লাৰ হাতত পদত্যাগ অৰ্পণ কৰে। ৰাজ্যখনত অব্যাহত থকা ৰাজনৈতিক অস্থিৰতাৰ মাজতেই এন বীৰেণ সিঙে বিজেপি সাংসদ তথা বিজেপিৰ উত্তৰ পূৰ্বাঞ্চলৰ প্ৰভাৰী সম্বিত পাত্ৰৰ সৈতে দিল্লীৰ পৰা ইম্ফলত উপস্থিত হৈ শাসকীয় দলৰ বিধায়কসকলৰ সৈতে এখন বৈঠকত অংশ লোৱাৰ পাছতে ৰাজ্যপালক সাক্ষাৎ কৰি পদত্যাপপত্ৰ অৰ্পণ কৰে। ইয়াৰ পূৰ্বে দিল্লীত শ্ৰীসিঙে গৃহমন্ত্ৰী অমিত শ্বাহ আৰু দলৰ নেতৃত্বৰ সৈতেও বৈঠকত মিলিত হৈছিল।

উল্লেখযোগ্য যে কাইলৈ চলিত দ্বাদশ মণিপুৰ বিধানসভাৰ সপ্তম অধিবেশন আৰম্ভ হ'ব।

ooo

গুৱাহাটীৰ জ্যোতি চিত্ৰবনত অনুষ্ঠিত গুৱাহাটী এছিয়ান চলচ্চিত্ৰ মহোৎসৱৰ আজি সামৰণি পৰে। আজি কেইবাখনো চলচ্চিত্ৰৰ প্ৰদৰ্শনৰ লগতে আলোচনা চক্ৰও অনুষ্ঠিত হয়। মহোৎসৱত আজি Teach Me, Second Chance, The Light within, Bahadur The Brave আদি কেইবাখনো চিনেমা

প্ৰদৰ্শিত হয়। পুৱা অনুষ্ঠিত এখন আলোচনাচক্ৰত চলচ্চিত্ৰ পৰিচালক অ'নিৰ উপস্থিত থাকে। এই আলোচনাচক্ৰখনৰ আঁত ধৰে জ্যেষ্ঠ সাংবাদিক মৃনাল তালুকদাৰে। দুপৰীয়া Young and Cinema: The Changing face of storytelling শীৰ্ষক আলোচনাচক্ৰখনৰ আঁত ধৰে অপৰাজিতা পুজাৰীয়ে। সন্ধিয়া পৰিচালক ইমতিয়াজ আলি, ৰীমা দাস, অ'নিৰ, কবিৰ খান পৰিচালিত চলচ্চিত্ৰ **মাই মেলবৰ্ণ** প্ৰদৰ্শন কৰা হয়।

০০০০

অসমৰ মহিলা লন বল খেলুৱৈ বনগীতা হাজৰিকাই সৰ্বাধিক ৰাষ্ট্ৰীয় ক্ৰীড়াত অংশ লোৱা খেলুৱৈ ৰূপে অনন্য কৃতিত্ব অৰ্জন কৰিছে। এইবাৰকে ধৰি ৬বাৰলৈ বনগীতাই ৰাষ্ট্ৰীয় ক্ৰীড়া প্ৰতিযোগিতাত অংশ লৈছে। ২০০৭ চনত গুৱাহাটীত অনুষ্ঠিত ৩৩ সংখ্যক ৰাষ্ট্ৰীয় ক্ৰীড়াৰ খেলুৱৈগৰাকী প্ৰথমবাৰলৈ অংশ লৈছে। এই ১৮ বছৰীয়া পৰিক্ৰমাত এতিয়ালৈ চাৰিটা সোণৰ লগতে তিনিটা ৰূপৰ পদক অৰ্জন কৰিবলৈ সক্ষম হৈছে। চলিত ৩৮ সংখ্যক ৰাষ্ট্ৰীয় ক্ৰীড়াত কালি মহিলাৰ দ্বৈত শাখাত নয়নমণি শইকীয়াৰ সৈতে যুঁটী বান্ধি বনগীতাই স্বৰ্ণপদক জয় কৰিছিল।

ইপিনে, চলিত প্ৰতিযোগিতাত টেবুল টেনিছত আজি অসমৰ পুৰুষ দলে নিজৰ প্ৰথমখন খেলত উত্তৰ প্ৰদেশক ৩-০ৰ ব্যৱধানত পৰাস্ত কৰে। গ্ৰুপৰ বাকী খেল দুখন অসমে তেলেংগানা আৰু তামিলনাডুৰ বিৰুদ্ধে খেলিব। আনহাতে, মহিলাৰ লং জাম্পত অসমৰ অম্বিকা নাৰ্জাৰী আজি চতুৰ্থ স্থানত থাকে।

০০০০

ইংলেণ্ডৰ বিৰুদ্ধে অব্যাহত থকা এদিনীয়া ক্ৰিকেট শৃংখলাৰ আজি কটকত অনুষ্ঠিত দ্বিতীয়খন খেলত ভাৰত জয়ৰ দিশে অগ্ৰসৰ হৈছে। ৩০৫ ৰাণৰ বিজয় লক্ষ্য অনুসৰণ কৰি ভাৰতে এই মুহূৰ্তত ৪০ অভাৰত ২৭৫ ৰাণ কৰি খেলি আছে। হাতত ৬টা উইকেট বাকী থকা অৱস্থাত জয়ৰ বাবে ৬০টা বলত ৩০ ৰাণৰ প্ৰয়োজন। ভাৰতৰ হৈ অধিনায়ক ৰোহিত শৰ্মাই সৰ্বাধিক ৯০টা বলত ১১৯ আৰু শুভমন গিলে ৬০ ৰাণ কৰে।

ইয়াৰ পূৰ্বে টছত জিকি প্ৰথমে বেট ধৰা ইংলেণ্ড দলটোৱে জ' ৰুটৰ ৬৯, বেন ডাকেটৰ ৬৫ আৰু লিয়াম লিভিংষ্টনৰ ৪১ ৰাণৰ বৰঙণিৰে ৪৯ অভাৰ আৰু ৫টা বলত আটাইকেইটা উইকেট হেৰুৱা ৩০৪ ৰাণ সংগ্ৰহ কৰে। ভাৰতৰ ৰবীন্দ্ৰ জাদেজাই সৰ্বাধিক তিনিটা উইকেট দখল কৰে।

০০০০

অসম চৰকাৰৰ ক্ৰীড়া আৰু যুৱ কল্যাণ বিভাগৰ উদ্যোগত তথা কামৰূপ জিলা প্ৰশাসনৰ সহযোগত সৰুসজাই ষ্টেডিয়ামত দুদিনীয়াকৈ অনুষ্ঠিত জিলা পৰ্যায়ৰ খেল মহাৰণৰ আজি সামৰণি পৰে। বিধানসভা সমষ্টিৰ পৰা নিৰ্বাচিত হোৱা মুঠ এহেজাৰ ৪০গৰাকী খেলুৱৈয়ে প্ৰতিযোগিতাত অংশগ্ৰহণ কৰে। কামৰূপ মহানগৰ জিলাৰ অতিৰিক্ত জিলা ক্ৰীড়া আয়ুক্ত কেচিঅ' কৰণ পেগু, জিলা ক্ৰীড়া বিষয়া পুষ্পেন্দু দাসকে ধৰি কেইবাগৰাকীও বিষয়া আৰু আমন্ত্ৰিত অতিথিসকলৰ উপস্থিতিত আজি পদক অৰ্জন কৰা খেলুৱৈসকলক বঁটা বিতৰণ কৰা হয়।

০০০০

সমাপ্ত